অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্য্যালিয় :: দৰং :: মঙ্গলদৈ

মীন শাখা

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা যায় যে,দৰং জিলাৰ মঙ্গলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ১৬ নং দন্দলাগী মীন মহল খন পুনৰ বন্দৰস্তীৰ বাবে ইং ১১/১১/২০১৯ তাৰিখৰ পৰা ইং২৫/১১/২০১৯ তাৰিখলৈ দিনৰ ১১.০০ বজাৰপৰা দিনৰ ৩.০০ বজালৈ নিবিদা গ্ৰহন কৰা হব বুলি জাননী জাৰি কৰা হল। ইং ২৬/১১/২০১৯ তাৰিখে দিনৰ ১২.০০ বজাত নিবিদাকাৰীৰ সন্মুখত নিবিদাসমূহ খোলা হব । সেয়ে মীন মহল খন বন্দৰস্তীৰ বাবে ৮.২৫ টকাৰ আদালতৰ মোহৰ যুক্ত নিবিদা আহ্বান কৰা হল ।

তলত উল্লেখ কৰা স্বৰ্ত্ত সাপেক্ষে মীন মহলখন বন্দৰস্তী দিয়া হব ।

১) অসম মীন (সংশোধিত) নিয়মাবলী, ২০০৫ ৰ নিয়ম ১২ অনুসৰি ১০০ শতাংশ অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া লোকেৰে গঠিত মীন সমবায় সমিতি, অনুসূচীত জাতিৰ বৃত্তিত মাছমৰীয়া লোক, আত্ম সহায়ক গোট, এন, জি, অ ই নিবিদা দিব পাৰিব ।

২) নিবিদাকাৰী সংশিষ্ট জিলাৰ আৰু মীন মহল খনৰ ওচৰ চুবুৰীয়া হব লাগিব ।

৩) নিবিদা, জিলা উপায়ুক্তৰ কাৰ্য্যালিয়ত নিৰ্দ্দিষ্ট স্থান আৰু তাৰিখত গ্ৰহণ কৰা হব ।

৪) ইচ্ছুক নিবিদাকাৰীয়ে কাৰ্য্যালিয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত সময়সূচী মতে নিৰ্দ্ধাৰিত নিবিদা বাকচত নিবিদা জমা দিব পাৰিব। নিৰ্দ্ধাৰিত সময়ৰ পিছত কোনো নিবিদা গ্ৰহন কৰা নহব ।

**<u>তলত উল্লেখ কৰা প্ৰমান পত্ৰ সমূহ সংলগন কৰি নিবিদা দাখিল দিব লাগিব ।</u>**

ক) মাছ মৰাৰ অভিজ্ঞতাৰ প্ৰমান পত্ৰ ।

খ) জিলা উপায়ুক্তৰ পৰা বাকীজাই মুক্ত প্ৰমান পত্ৰ ।

গ) অনুসূচীত জাতিৰ সমবায় সমিটি / বৃত্তিত মাছমৰীয়া / এন,জি,অ / আত্ম সহায়ক গোট হোৱাৰ প্ৰমান পত্ৰ ।

ঘ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ / বেঙ্কাৰ চেক / বেঙ্ক দ্ৰাফট ।

ঙ) নিবিদাকাৰীয়ে আগবঢ়োৱা ১ম বছৰৰ ৰাজহৰ ১৫ শতাংশ ৰাজহ কল ডিপজিত যোগে যদি জমা দিয়া হৈছে, তাৰ নং, তাৰিখ, টকাৰ পৰিমান আৰু বেঙ্কৰ নাম ।

চ) মীন সমবায় সমিতিৰ পঞ্জীয়ন প্ৰমান পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি ।

ছ) আয়কৰ মুক্ত প্ৰমান পত্ৰ ।

জ) মীন সমবায় সমিতি হকে নিবিদা দিয়াৰ কৰ্তৃত প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটোকপি গাঠি দিব লাগিব ।

ঝ) মীন সমবায় সমিতিৰ বছৰেকীয়া হিচাব পৰীক্ষাৰ নথি - পত্ৰ আৰু লাভ - লোকচানৰ হিচাবৰ প্ৰতিলিপি।

ঞ) নিবিদাকাৰীয়ে বন্ধখামৰ ওপৰত অনুজ্ঞা পত্ৰ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰিব আৰু নিৰ্দ্ধাৰিত বাকচত নিবিদা জমা দিব লাগিব।

ট) গৃহীত নিবিদাকাৰীয়ে নিৰ্দ্ধাৰিত বাৰ্ষিক ৰাজহৰ ওপৰত পিচৰ বছৰ কেইটাত প্ৰতি বছৰে চৰকাৰৰ নীতি নিৰ্দ্দেশনা অনুসৰি অতিৰিক্ত মীন ৰাজহ আদায় দিব লাগিব।

ঠ) যি কোনো কাৰণত নিবিদা বাতিল কৰাৰ পূৰ্ণ অধিকাৰ নিম্ন স্বাক্ষৰকাৰীৰ থাকিব আৰু ইয়াৰ বাবে কোনো কাৰণ দৰ্শোৱাৰ বাধ্য নাথাকিব।

| বন্দবস্তী দিব লগীয়া মীন মহলৰ নাম | কোন পৰ্য্যায়ৰ অন্তৰ্গত | চৰকাৰী ৰাজহ | কোন তাৰিখৰ পৰা বন্দবস্তী হব |
|---|---|---|---|
| ১৬ নং দন্দলাগী মীন মহল | ৪০% | ৭,০৩,৪৮৬/-টকা | যি তাৰিখত চৰকাৰে বন্দবস্তী দিয়ে। |

স্বাক্ষৰ (ঘনশ্যাম দাস, ভা:প্ৰ:সে:)
উপায়ুক্ত
দৰং :: মঙ্গলদৈ

স্মাৰক নং .ডি আৰ এফ-৩/৯০/পিটি/৫১(ক)　　তাৰিখ -০৮/১১/২০১৯

প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু কাৰ্য্যকৰণাৰ্থে প্ৰেৰণ কৰা হল -

১) মূখ্য কাৰ্য্যবাহী বিষয়া, দৰং জিলা পৰিষদ, মঙ্গলদৈ।

২) চক্ৰ বিষয়া, মঙ্গলদৈ ৰাজহ চক্ৰ।এই জাননীখন মীন মহলৰ পাৰবাসী ৰাইজৰ মাজত বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ তেখেতক অনুৰোধ জনোৱা হল।

৩) জিলা মীন উন্নয়ন বিষয়া, দৰং, মঙ্গলদৈ। বহল প্ৰচাৰৰ বাবে।

৪) সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়ক / উপ - পঞ্জীয়ক, মঙ্গলদৈ।বহল প্ৰচাৰৰ বাবে।

৫) খণ্ড উন্নয়ন বিষয়া, পশ্চিম মঙ্গলদৈ উন্নয়ন খণ্ড। বহল প্ৰচাৰৰ বাবে।

৬) জিলা তথ্য-প্ৰযুক্তি বিষয়া, ৰাষ্ট্ৰীয় তথ্য-প্ৰযুক্তি বিজ্ঞান কেন্দ্ৰ, দৰং মঙ্গলদৈ বহুল প্ৰচাৰৰ বাবে।

৭) জিলা তথ্য আৰু জন সম্পদ ৰক্ষী বিষয়া, দৰং মঙ্গলদৈ বহুল প্ৰচাৰৰ বাবে।

৮) উপায়ুক্তৰ কাৰ্য্যালয়ৰ জাননী ফলক।

অতিৰিক্ত উপায়ুক্ত
দৰং :: মঙ্গলদৈ 8/11/2019